গ্ৰহণ কৰা হয়। এনেধৰণৰ লক্ষণবিশিষ্ট পদসমূহ একেলগ হৈ বাক্য গঠন কৰে আৰু তেনেধৰণৰ বাক্যসমূহৰপৰা মহাবাক্যৰ সৃষ্টি হয়।

নিৰ্ধাৰিত যোগ্যতাৰ সংজ্ঞা। আকাংক্ষাৰ সংজ্ঞা নিৰ্ধাৰিত হৈছে এইদৰে — অসমাপ্ত প্ৰতীতিপৰ্যবসানবিৰহঃ অৰ্থাৎ এটা পদ উচ্চাৰিত হোৱা অংশকে সি আৰু অন্য পদৰ আকাংক্ষা কৰে। যেনে, গৰু, মানুহ, হাতী এইকেইটা পদ উচ্চাৰণ কৰা মাত্ৰকেই আমাৰ কাণত স্বাভাৱিকভাৱে পিছৰ শব্দটো শুনিবলৈ উৎকণ্ঠিত হৈ ৰয়। এয়েই বাক্য এটাৰ ক্ষেত্ৰত আকাংক্ষা শক্তি। এটা এটা পদে কেতিয়াও বাক্য গঠন কৰিব নোৱাৰে বাক্যত ব্যৱহৃত পদসমূহৰ মাজত আকাংক্ষা শক্তিৰ প্ৰয়োজন হয়। আসত্তি হৈছে বাক্যত ব্যৱহৃত পদসমূহৰ অব্যৱহিত অৱস্থিতি। অৰ্থাৎ যিবোৰ পদ বাক্য এটাৰ বাবে প্ৰয়োজনীয় হয় সেই পদসমূহৰ উচ্চাৰণৰ সময়ত ব্যৱধান আহিব নালাগে। আজি এটা শব্দ উচ্চাৰণ কৰি অন্য এদিন [illegible] পিছৰ পদটো উচ্চাৰণ কৰিলে সি বাক্যত্ব হেৰাই পেলায়। অৰ্থাৎ 'দেৱদত্তঃ গচ্ছতি' এটা বাক্য। কিন্তু দেৱদত্ত পদটো আজি উচ্চাৰণ কৰি গচ্ছতি পদটো কালিলৈ উচ্চাৰণ কৰিলে সি বাক্য হ'ব নোৱাৰে।

বাক্যৰ ক্ষেত্ৰত পদসমূহৰ অব্যৱহিত অৱস্থিতি প্ৰয়োজনীয়
আসত্তিৰবুদ্ধ্যবিচ্ছেদঃ।

এই তিনিটা যোগ্যতা, আকাংক্ষা আৰু আসত্তি এই তিনিটাকে বাক্য এটাৰ প্ৰধান উপাদান বুলি

দ্বিতীয় পৰিচ্ছেদৰ আৰম্ভণিতে আচাৰ্য বিশ্বনাথে বাক্য এটাত প্ৰয়োজন হোৱা তিনিটা উপাদান সম্পৰ্কে উল্লেখ কৰিছে। বাক্যৰ সেই উপাদানকেইটা হ'ল - যোগ্যতা আকাংক্ষা আৰু আসত্তি। অৰ্থাৎ পদসমষ্টিক তেতিয়াহে বাক্য বুলি গ্ৰহণ কৰা হয়, যেতিয়া তাত যোগ্যতা, আকাংক্ষা আৰু আসত্তি এই তিনিটা উপাদান থাকে। সাহিত্য দৰ্পণকাৰে এইখিনিকেই প্ৰকাশ কৰিছে এইদৰে - বাক্যং স্যাদ্‌যোগ্যতাকাংক্ষাসত্তিযুক্তঃ পদোচ্চয়ঃ।

যোগ্যতা বাক্য এটাৰ ক্ষেত্ৰত ব্যৱহৃত সেই শক্তি যাৰ অভাৱত বাক্য এটাত ব্যৱহৃত শব্দবোৰৰ মাজৰ সামঞ্জস্য হেৰাই যায়। 'বহ্নিনা সিঞ্চতি' বুলি বাক্য এটা গঠন কৰিলে বহ্নিয়ে নুমায় বুলি অৰ্থটো আমি লাভ কৰোঁ। কিন্তু আমি জানো যে বহ্নি অৰ্থাৎ জুইৰ প্ৰধান কৰ্মই হৈছে উত্তাপিত কৰা, বহ্নিয়ে কেতিয়াও নুমোৱা কামটো কৰিব পৰাকৈ যোগ্যতা অৰ্জন নকৰে। নুমোৱা কাম সদায় জলদ্বাৰাহে সম্ভৱ হ'ব পাৰে। সেইবাবে বহ্নিনা সিঞ্চতি পদসমূহ হ'লেও ই কেতিয়াও বাক্য হিচাপে স্বীকৃত নহয়। 'জলেন' শব্দটোৰ প্ৰয়োগ ইয়াত অনিবাৰ্য। 'জলেন' শব্দৰ অভাৱ হোৱা হেতুকে বাক্যটোৰ শব্দসমূহে সামঞ্জস্য হেৰুৱাই পেলাইছে। এইটোৱেই হৈছে বাক্য এটাৰ যোগ্যতা। 'যোগ্যতা পদাৰ্থানাং পৰস্পৰসম্বন্ধে বাধাভাবঃ' এয়াই বিশ্বনাথ কবিৰাজ'

Q: Write a note on the nature of sentence according to Visvanatha kaviraja
( বাক্যৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা )

উত্তৰঃ অলংকাৰিকসকলে বাক্যৰ লক্ষণ, বাক্যৰ স্বৰূপ, প্ৰকাৰ আদি সম্পৰ্কত ভিন্ন সময়ত ভিন্ন মন্তব্য আগবঢ়াইছে। কাব্যৰ লক্ষণ সম্পৰ্কে বিশ্বনাথ কবিৰাজে তেওঁৰ সাহিত্যদৰ্পণৰ প্ৰথম পৰিচ্ছেদত 'বাক্যং ৰসাত্মকং কাব্যম্' বুলি উল্লেখ কৰিছে। ৰসাত্মক বাক্যই অৰ্থাৎ ৰসযুক্ত বাক্যকে তেওঁ কাব্য সৃষ্টিৰ মূল সম্পদ বুলি মত দাঙি ধৰিছে। গ্ৰন্থখনৰ দ্বিতীয় পৰিচ্ছেদত এই বাক্যৰেই স্বৰূপ অথবা প্ৰকৃতি সম্পৰ্কে তেওঁ বিস্তৃত আলোচনা আগবঢ়াইছে। আচাৰ্য বিশ্বনাথ কবিৰাজে নিৰ্ধাৰিত কৰি দিয়া অনুসৰি বাক্যৰ লক্ষণ হৈছে 'পদোচ্চয়ো বাক্যম্' অৰ্থাৎ পদৰ সমূহেই হৈছে বাক্য। পদৰ লক্ষণ সম্পৰ্কত গ্ৰন্থখনত এইদৰে উল্লেখ কৰা হৈছে — বৰ্ণাঃ পদং প্ৰয়োগাৰ্হানন্বিতৈকাৰ্থবোধকাঃ। অৰ্থাৎ সেই বৰ্ণ সমষ্টিয়েই হৈছে পদ যিসমূহ ব্যৱহাৰৰ উপযোগী আৰু কোনো এক বিশেষ অৰ্থৰ বোধক। ব্যৱহাৰৰ উপযোগী বৰ্ণ সমষ্টিয়ে যেতিয়া অন্যৰ লগত সম্পৰ্ক নথকা কোনো এক নিৰ্দিষ্ট বস্তুক নিৰ্দেশ কৰে তেতিয়া তাকেই ~~শব্দ বুলি~~ পদ বুলি কোৱা হয়। 'ঘট' বুলি কোৱা মাত্ৰেই সেই নিৰ্দিষ্ট বৰ্ণ সমষ্টিয়ে পানী খাবৰ পাত্ৰ বিশেষক নিৰ্দেশ কৰে।